**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-10-2024 **Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰোপদী মুৰ্মুৰে নৱ ৰায়পুৰত স্বাস্থ্য বিজ্ঞান আৰু আয়ুষ বিশ্ববিদ্যালয়ৰ সমাবৰ্তনত অংশগ্ৰহণ কৰি চিকিৎসকে কেইটামান বছৰ গ্ৰামাঞ্চলৰ বাবে উৎসৰ্গা কৰিব লাগে বুলি মন্তব্য কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ গুজৰাট ভ্ৰমণ কৰি কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ পশ্চিমবংগৰ পেট্ৰ'প'ল স্থল বন্দৰত যাত্ৰীসকলৰ বাবে টাৰ্মিনেল বিল্ডিং আৰু মৈত্ৰী দ্বাৰ উদ্বোধন কৰিব।

আৰু

৪। নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে পুণেত অনুষ্ঠিত দ্বিতীয়খন টেষ্টত আজি তৃতীয় দিনা ১১৩ ৰাণৰ ব্যৱধানত জয়লাভ কৰে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰোপদী মুৰ্মুৰে কৈছে যে জনজাতীয় লোকসকল হৈছে প্ৰাকৃতিক জীৱনশৈলীৰ দ্বাৰা সঞ্চিত একোটা জ্ঞানৰ ভঁৰাল। ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান, আই আই টি ভিলাইৰ সমাবৰ্তন অনুষ্ঠানত ভাষণ দি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে কয় যে জনজাতীয় লোকসকলৰ জীৱনশৈলীৰ পৰা শিক্ষা লৈ যিকোনো লোকে দেশৰ বহনক্ষম উন্নয়নত গুৰুত্বপূৰ্ণ অৰিহণা যোগাব পাৰে। তেওঁ কয় যে দেশৰ সম্পূৰ্ণ বিকাশ তেতিয়াহে সম্ভৱ হ'ব যেতিয়া জনজাতীয় লোকসকলে উন্নয়নমূলক প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব। চত্তিশগড়ৰ ভূমি জনজাতীয় পৰম্পৰা আৰু সংস্কৃতিৰে চহকী বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে জনজাতীয় সমাজৰ লোকসকলে প্ৰকৃতিক ভালদৰে বুজি পায় আৰু যুগ যুগ ধুৰি এই পৰিবেশৰ সৈতে সমিল-মিলেৰে জীৱন নিৰ্বাহ কৰি আহিছে।

আজিৰ অনুষ্ঠানত শ্ৰীমতী মুৰ্মুৰে ৭ গৰাকী শিক্ষাৰ্থীক সোণৰ পদক প্ৰদান কৰে। অনুষ্ঠানত ছত্তিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকা আৰু মুখ্যমন্ত্ৰী বিষ্ণু ডেও সাই উপস্থিত থাকে। ৰাষ্ট্ৰপতিয়ে আজি বিয়লি নৱ ৰায়পুৰত স্বাস্থ্য বিজ্ঞান আৰু আয়ুষ বিশ্ববিদ্যালয়ৰ সমাবৰ্তনত অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে সকলো চিকিৎসকে নিজৰ পেচাদাৰী জীৱনৰ কেইটামান বছৰ গ্ৰামাঞ্চলৰ বাবে উৎসৰ্গা কৰিব লাগে। নৱ-ৰায়পুৰত অৱস্থিত স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয় আৰু আয়ুষৰ সমাৱৰ্তনত ৰাষ্ট্ৰপতিগৰাকীয়ে ছট্টীশগড়ৰ দৰে বিভিন্ন ৰাজ্যত বনৌষধি অক্ষয় মজুত আছে বুলি প্ৰকাশ কৰে। তেওঁ লগতে এই বনৌষধিসমূহক নথিভুক্ত কৰাৰ লগতে ইয়াৰ ওপৰত ভিত্তি কৰি গৱেষণা প্ৰসাৰিত কৰা উচিত বুলিও ভাষণ প্ৰসংগত উল্লেখ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ গুজৰাট ভ্ৰমণ কৰিব। তেওঁ এই ভ্ৰমণকালত কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে স্পেইনৰ ৰাষ্ট্ৰপতি পেড্ৰ'ছানছেছৰ সৈতে টাটা এডভান্সড চিষ্টেম লিমিটেড কেম্পাছত চি - ২৯৫ বিমান নিৰ্মাণৰ বাবে টাটা এয়াৰ ক্ৰাফ্‌ট কমপ্লেক্স উদ্বোধন

কৰিব। ইয়াৰ লগতে প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত মাতা সৰোবৰ উদ্বোধন কৰাৰ লগতে আমৰেলীত প্ৰায় ৪ হাজাৰ ৯০০ কোটি টকা ব্যয়সাপেক্ষ এটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। উল্লেখযোগ্য যে এই প্ৰকল্পসমূহে আমৰেলী, জামনগৰ, মৰ্‌বি, দেৱভূমি দ্বাৰকা, জুনাগড়, পোৰবন্দৰ, কচ্ছ্‌ আৰু বোটাড জিলাৰ নাগৰিকসকলক উপকৃত কৰিব। আনহাতে, সংযোগ উন্নত কৰাৰ প্ৰয়াসত প্ৰধানমন্ত্ৰীয়ে ২৮০০ কোটিতকৈও অধিক টকাৰ বিভিন্ন পথ প্ৰকল্পৰ ভেটি স্থাপন কৰিব। প্ৰায় এহেজাৰ ১০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ সম্পূৰ্ণ হোৱা ভূজ-নলীয়া ৰেলগজ ৰূপান্তৰ প্ৰকল্প তেওঁ দেশবাসীৰ বাবে উচৰ্গা কৰিব। আমৰেলী জিলাৰ পানীযোগান বিভাগৰ ৭০০ কোটিটকীয়া অতিৰিক্ত ব্যয়সাপেক্ষ বিভিন্ন উন্নয়নমূলক প্ৰকল্পও উদ্বোধন কৰিব বুলি জানিব পৰা গৈছে। এই প্ৰকল্পসমূহৰ ভিতৰত নৰদাৰ পৰা শ্বাৰন্দালৈ বাল্ক পাইপলাইন অন্যতম, যিয়ে ৩৬ খন চহৰ আৰু এহেজাৰ ২৯৮ খন গাঁৱৰ প্ৰায় ৬৭ লাখ হিতাধিকাৰীক অতিৰিক্ত ২৮ কোটি লিটাৰ পানী যোগান ধৰিব পাৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে পৰ্যটন সম্পৰ্কীয় বহুতো আধাৰশিলা স্থাপন কৰিব য'ত পোৰবন্দৰ জিলাৰ মকাৰ সাগৰত থকা কাৰ্লি ৰিচাৰ্জ জলাশয়ক বিশ্বমানৰ বহনক্ষম ইক' ট্যুৰিজিমৰ গন্তব্য স্থানলৈ ৰূপান্তৰিত কৰাটো অন্তৰ্ভুক্ত হৈ আছে।

০০০০০০০

স্পেইনৰ ৰাষ্ট্ৰপতি পেড্ৰ'ছানছেছে তেওঁৰ পত্নী বেগোনা গোমেজৰ সৈতে কাইলৈৰ পৰা ২৯ অক্টোবৰলৈ আনুষ্ঠানিকভাৱে ভাৰত ভ্ৰমণ কৰিব। এয়া হ'ব – ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰথম ভাৰত ভ্ৰমণ। উল্লেখযোগ্য যে ১৮ বছৰৰ পাছত স্পেইনৰ ৰাষ্ট্ৰপতিৰ এই ভাৰত ভ্ৰমণে স্পেইন আৰু ভাৰতৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰিব। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰপতি ছানছেছে কেইবাবাৰো বহুপক্ষীয় বৈঠকৰ বাবে মিলিত হৈছে। স্পেইনৰ ৰাষ্ট্ৰপতিগৰাকীৰ ভ্ৰমণছোৱাত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হ'ব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰিছে। এয়াৰ বাছ স্পেইনৰ সহযোগত টাটা এড্‌ভান্স চিষ্টেমে বিমান পৰিবহণ খণ্ডৰ ফ্লেগশ্বিপ 'মেক ইন ইণ্ডিয়া' বৰোদৰাত দুয়োগৰাকী নেতাৰ উপস্থিতিত উদ্বোধন কৰা হ'ব। উল্লেখযোগ্য যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্‌ জয়শংকৰে ৰাষ্ট্ৰপতি ছানছেছক এই ভ্ৰমণৰ সময়ত সাক্ষাৎ কৰিব। আনহাতে, স্পেইনৰ ৰাষ্ট্ৰপতিগৰাকীয়ে মুম্বাই ভ্ৰমণ কৰি বাণিজ্য আৰু উদ্যোগক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি, চলচ্চিত্ৰ উদ্যোগৰ সৈতে জড়িত বিভিন্ন ব্যক্তিৰ সৈতে মত বিনিময় কৰি কেইবাটাও বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ পশ্চিমবংগৰ পেট্ৰ'প'ল স্থল বন্দৰত যাত্ৰীসকলৰ বাবে টাৰ্মিনেল বিল্ডিং আৰু মৈত্ৰী দ্বাৰ উদ্বোধন কৰিব। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ দক্ষিণ এছিয়াৰ স্থল বন্দৰ কৰ্তৃপক্ষক সকলো দেশৰ সৈতে সাংস্কৃতিক আৰু বাণিজ্যিক সম্পৰ্ক আগুৱাই নিয়াৰ ক্ষেত্ৰত নতুন গতি প্ৰদান কৰিছে। উল্লেখযোগ্য যে পেট্ৰ'প'ল বন্দৰটো হৈছে দক্ষিণ এছিয়াৰ আটাইতকৈ বৃহৎ স্থল বন্দৰ। ই ভাৰত আৰু বাংলাদেশৰ মাজৰ বেপাৰ বাণিজ্যৰ মুখ্য প্ৰৱেশদ্বাৰ হিচাপে পৰিগণিত হৈছে। ভাৰত আৰু বাংলাদেশৰ প্ৰায় ৭০ শতাংশ স্থলভিত্তিক বাণিজ্য এই স্থল বন্দৰৰ জৰিয়তে কৰা হয়। উল্লেখযোগ্য যে পেট্ৰ'প'ল স্থল বন্দৰ ভাৰতৰ অষ্টম বৃহৎ আন্তঃৰাষ্ট্ৰীয় অনুপ্ৰৱেশ বন্দৰ হোৱাৰ লগতে এই বন্দৰটোৱে ভাৰত আৰু বাংলাদেশৰ মাজত বছৰি প্ৰায় ২৩ লাখৰো অধিক যাত্ৰীক চলাচলৰ সুবিধা প্ৰদান কৰিছে।

০০০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰোৰ অধ্যক্ষ ড° এছ্ সোমনাথে আজি বিয়লি নতুন দিল্লীৰ আকাশবাণীৰ ৰং ভৱনত ২০২৪ বৰ্ষৰ চৰদাৰ পেটেল স্মাৰক বক্তৃতা প্ৰদান কৰে। এই ড° সোমনাথে INDIAN SPACE ODYSSEY : IN SEARCH OF NEW FRONTIERS এই বিষয়ত ভাষণ দিয়ে। তেওঁ কয় যে মহাকাশ প্ৰযুক্তিৰ প্ৰয়োগ ডমেইন অহৰহ বৃদ্ধি পোৱাৰ লগে লগে মানুহৰ বাবে অধিক সুলভ হৈ পৰিছে। আই আই টি দিল্লীত অনুষ্ঠিত এই অনুষ্ঠানত ড° সোমনাথে অৰ্থনীতি, নিয়োগ যোগ্যতা আৰু চাকৰি সৃষ্টিৰ ক্ষেত্ৰত মহাকাশ প্ৰযুক্তিৰ প্ৰভাৱ বৃদ্ধি পাইছে বুলি উল্লেখ কৰে। শেহতীয়াকৈ চৰকাৰে মহাকাশ খণ্ডটো মুকলি কৰাৰ বাবে বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে বুলিও উল্লেখ কৰে। অধিক ব্যক্তিগত বিনিয়োগ আৰু ব্যক্তিগত অংশগ্ৰহণে আশাৰ সঞ্চাৰ কৰিছে বুলি ইছৰ'ৰ অধ্যক্ষগৰাকীয়ে ভাষণ প্ৰসংগত প্ৰকাশ কৰে। উল্লেখযোগ্য যে প্ৰসাৰ ভাৰতীয়ে চৰ্দাৰ বল্লভভাই পেটেলৰ স্মৃতিত এই বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰিছিল।

০০০০

কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজৰ একবিংশ দ্বিবাৰ্ষিক  সমাৱৰ্তন কাইলৈ গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব। অনুষ্ঠানত  উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা সন্মানীয় অতিথি হিচাপে উপস্থিত থকাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বি টি চিৰ মুখ্য কাযবাহী সদস্য প্ৰমোদ বড়ো বিশেষ অতিথি হিচাপে উপস্থিত থাকিব।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কাইলৈ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত  তেওঁৰ সন্মানাৰ্থে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠান আৰু নৈশ ভোজমেলতো অংশগ্ৰহণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৫ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে  এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে পুণেত অনুষ্ঠিত দ্বিতীয়খন টেষ্টত ১১৩ ৰাণৰ ব্যৱধানত জয়লাভ কৰে। দ্বিতীয় ইনিংছত ২৫৫ ৰাণ সংগ্ৰহ কৰি নিউজিলেণ্ডে নিৰ্ধাৰণ কৰি দিয়া ৩৫৯ ৰাণৰ লক্ষ্যক অনুসৰণ কৰি ভাৰতে ২৪৫ ৰাণত নিজৰ দ্বিতীয় ইনিংছত আটাইকেইটা উইকেট হেৰুৱায়। এই জয়েৰে আলহী দলটোৱে তিনিখনীয়া খেলৰ শৃংখলা দখল কৰিছে। প্ৰথম ইনিংছত নিউজিলেণ্ডে সংগ্ৰহ কৰা ২৫৯ ৰাণৰ প্ৰত্যুত্তৰত ভাৰতে ১৫৬ ৰাণ সংগ্ৰহ কৰিছিল। শক্তিশালী স্থিতিৰে দ্বিতীয় ইনিংছত উপনীত হৈ নিউজিলেণ্ডে ২৫৫ ৰাণ সংগ্ৰহ কৰে। আনহাতে, ভাৰতে ২৪৫ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

০০০০০০০

**সমাপ্ত**